NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-11-2026
Time : 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

HEADLINES

::::::::::::::::::

১। কেন্দ্রীয় মন্ত্রীসভাই শিলচৰৰ ডলুত দুহেজাৰ ১৪ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণ ফিল্ড বিমান বন্দৰ নিৰ্মাণত অনুমোদন জনাইছে।

২। নিৰ্বাচন আয়োগে ২৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলক ভোটদাতাৰ তালিকা নাইবা এছ্ আই আৰত ভুলকৈ নাম অন্তৰ্ভুক্ত হোৱা ভোটদাতাসকলক চিনাক্ত কৰিবলৈ আহ্বান জনাইছে।

৩। সমগ্ৰ দেশতে আজি সংবিধান দিৱস পালন কৰিবলৈ লোৱা হৈছে।

৪। শ্বেত বিপ্লৱৰ জনক ড০ ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তী উপলক্ষে আজি পাটনাত ৰাষ্ট্ৰীয় দুগ্ধ দিৱস ২০২৬ পালন কৰা হ'ব। **আৰু**

৫। মহিলাৰ এছিয়ান হকী প্ৰতিযোগিতাত ভাৰতে জাপানক ৪-০ গ'লত পৰাজিত কৰি বিশ্ব ৰেংকিঙৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই শিলচৰৰ ডলুত দুহেজাৰ ১৪ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণ ফিল্ড বিমান বন্দৰ নিৰ্মাণত অনুমোদন জনাইছে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্ত্ৰীসভাৰ বৈঠকৰ পাছত কালি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয় যে প্ৰস্তাৱিত টাৰ্মিনেল ভৱনটো ১২ হাজাৰ ৩৫১ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা হ'ব। বিমান বন্দৰত যাত্ৰীসকলৰ বাবে আধুনিক সুবিধা, বহনক্ষম সেউজ ভৱন নীতি আৰু মডিউলাৰ সম্প্ৰসাৰণৰ সামৰ্থ্য থাকিব বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কৌশলগতভাৱে গুৰুত্বপূৰ্ণ প্ৰকল্প হিচাপে ডলু গ্ৰীণ ফিল্ড বিমান বন্দৰে দক্ষিণ অসম বা বৰাক উপত্যকাৰ লগতে ৰাজ্যখনৰ চুবুৰীয়া এলেকাসমূহৰ বৰ্ধিত বিমান পৰিবহণৰ চাহিদা পূৰণ কৰিব। তেওঁ কয় যে এই প্ৰকল্পই বৰ্তমানৰ আন্তঃগাঁথনিৰ গুৰুত্বপূৰ্ণ বিকাশৰ উপৰি বাণিজ্য আৰু পৰ্যটন বৃদ্ধিৰ জৰিয়তে আঞ্চলিক অৰ্থনৈতিক সম্ভাৱনীয়তা সৃষ্টি কৰিব আৰু উত্তৰ পূৰ্বাঞ্চলক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিকশিত কৰিড'ৰৰ সৈতে সংযুক্ত কৰাৰ বাবে বিশ্বমানৰ প্ৰৱেশদ্বাৰ মুকলি কৰিব।

বাইট (অশ্বিনী)

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুমোদনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা কেন্দ্ৰীয় মন্ত্ৰীসভাক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০

দেশৰ নিৰ্বাচন আয়োগে ২৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলক পূৰ্বৰ ভোটদাতাৰ তালিকা নাইবা বিশেষ সংক্ষিপ্ত সংশোধনীত ভুলকৈ নাম অন্তৰ্ভুক্ত হোৱা ভোটদাতাসকলক চিনাক্ত কৰিবলৈ আহ্বান জনাইছে। আয়োগে লগতে এনে ভোটদাতাসকলৰ নামসমূহ পৰীক্ষা কৰি তালিকা

সংশোধনীৰ বাবে আহ্বান জনাইছে। মুখ্য নিৰ্বাচনী বিষয়াসকললৈ প্ৰেৰণ কৰা এই পত্ৰত আয়োগে কয় যে নাম, জন্মৰ তাৰিখকে ধৰি ভোটদাতাৰ তালিকাত থকা আঁসোৱাহসমূহ বিশেষ পুংখানুপুংখ সংশোধনীৰ সময়ত তুলনা কৰি উচিতভাৱে সংশোধনৰ ব্যৱস্থা কৰিব লাগিব। আঁসোৱাহ দেখা মাত্ৰেই সত্যাসত্য নিৰূপণ কৰি সংশোধনৰ ব্যৱস্থা ল'বলৈ আয়োগে নিৰ্দেশ দিছে। ইয়াৰ বাবে বুথ পৰ্যায়ৰ বিষয়াসকলক সংশ্লিষ্ট ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ তেওঁলোকৰ তথ্য সংগ্ৰহ কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে সম্পূৰ্ণভাৱে পূৰণ কৰা ৮ নম্বৰ প্ৰ-পত্ৰত স্বাক্ষৰ কৰাবলৈ নিৰ্দেশ দিয়া হৈছে। সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া নাইবা নিৰ্বাচনী পঞ্জীয়ন বিষয়াক এই তথ্যসমূহ চালিজাৰি চাই বিষয়টো নিষ্পত্তি কৰিবলৈ কোৱা হৈছে।

ooooo

সমগ্ৰ দেশতে আজি সংবিধান দিৱস পালন কৰিবলৈ লোৱা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৭ সংখ্যক বছৰ উপলক্ষে সংবিধানৰ নীতি আৰু প্ৰমূল্যসমূহ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ বাবে এই দিৱস পালন কৰা হৈছে। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল। ২০১৫ চনৰ পৰা সংবিধানৰ নীতিসমূহৰ প্ৰতি জনসাধাৰণৰ সমন্বিত দায়বদ্ধতাৰ বাবে আহ্বান জনাই এই দিৱস পালন কৰি অহা হৈছে।

সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে আজি এই দিৱস উপলক্ষে মাই গভ প'ৰ্টেলযোগে ২৩টা ভাষাত সংবিধানৰ প্ৰস্তাৱনা অনলাইন পাঠ কৰোৱাৰ ব্যৱস্থা কৰিব। ইংৰাজীৰ উপৰি সংবিধান স্বীকৃত ২২টা ভাষাত এই পাঠ কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। এই দিৱস উপলক্ষে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ লগতে স্বায়ত্তশাসিত অঞ্চল আৰু প্ৰতিষ্ঠানসমূহৰ সহযোগত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডিজিটেল মঞ্চৰ জৰিয়তে আৰু সমূহীয়া অংশগ্ৰহণৰ দ্বাৰা সংবিধান সম্পৰ্কে জনসাধাৰণক অৱগত কৰিবলৈ আৰু দেশৰ গণতান্ত্ৰিক পৰিকাঠামোত সংবিধানৰ গুৰুত্ব উপলব্ধি কৰোৱাৰ বাবে এনে অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ ড০ আম্বেদকাৰ সংস্থাই নতুন দিল্লীৰ ড০ আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত সংবিধান দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে। কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰ আৰু দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ উদয় উমেশ ললিতে এই কাৰ্যসূচীত অংশ ল'ব। শ্ৰীললিতে অনুষ্ঠানত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সাংবিধানিক প্ৰশাসন আৰু ড০ বি আৰ আম্বেদকাৰৰ অৱদান শীৰ্ষক বিষয়ত ভাষণ আগবঢ়াব।

ooooo

মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ে আজি পাটনাত ৰাষ্ট্ৰীয় দুগ্ধ দিৱস ২০২৬ পালন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং তথা ৰাজ্য মন্ত্ৰী প্ৰফেচাৰ এছ পি সিং ৰাঘেল, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু বিহাৰৰ দুগ্ধ, মীন আৰু পশুপালন মন্ত্ৰী নন্দ কিশোৰ ৰাম উপস্থিত থাকিব। এই অনুষ্ঠানে দুগ্ধ উৎপাদক আৰু অংশীদাৰসকলক এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে থলুৱাজাতৰ গৰু আৰু ম'হৰ সংৰক্ষণ, দুগ্ধ উন্নয়ন আৰু পশুধনৰ উৎপাদনশীলতাৰ ক্ষেত্ৰত থকা অৱদানৰ স্বীকৃতি দি তিনিটা শাখাত ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা ২০২৬ প্ৰদান কৰিব। উত্তৰ পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বিজয়ীসকলকো প্ৰতিটো শাখাতে বিশেষ বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতেই কেইবাটাও দুগ্ধ আন্তঃগাঁথনি প্ৰকল্প দেশৰ বাবে উৎসৰ্গা কৰা হ'ব। ইয়াৰ ভিতৰত দুগ্ধ সংগ্ৰহ আৰু তথ্য প্ৰক্ৰিয়াকৰণ

একক, খনিজ মিশ্রণ প্রকল্প, প্রতি দিনে ২ লাখ লিটাৰ গাখীৰ প্রসংস্কৰণ কৰিব পৰা ক্ষমতা থকা প্রকল্পও থাকিব। উল্লেখযোগ্য যে, দেশৰ শ্বেত বিপ্লৱৰ জনক ড০ ভার্গিজ কুৰিয়েনৰ জয়ন্তী উপলক্ষে, ভাৰতক বিশ্বৰ সর্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশলৈ পৰিগণিত কৰাৰ ক্ষেত্রত তেওঁৰ অৱদানক স্বীকৃতি দিবলৈ ৰাষ্ট্রীয় দুগ্ধ দিৱস পালন কৰা হয়।

০০০০০

ডিজিটেল আন্তঃগাঁথনি শক্তিশালীকৰণৰ বাবে গ্রহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে অসম চৰকাৰে কালি ভাৰতী এয়াৰটেল লিমিটেডৰ সৈতে দিছপুৰত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ উপস্থিতিত স্বাক্ষৰিত এই চুক্তি অনুসৰি যোৰহাট আৰু শিলচৰত দুটা অত্যাধুনিক তথ্য কেন্দ্র স্থাপন কৰা হ'ব। যোৰহাটত প্রাৰম্ভিক অৱস্থাত ২০০ কোটি টকা বিনিয়োগেৰে ১০ মেগাৰাট সামর্থৰ আৰু শিলচৰত ২৫৫ কোটি টকা বিনিয়োগেৰে ১৫ মেগাৰাট সামর্থৰ কেন্দ্র দুটা স্থাপন কৰা হ'ব। দুবছৰৰ ভিতৰত ভূমি অধিগ্রহণ কৰি কেন্দ্র দুটা নির্মাণ সম্পূর্ণ কৰা হ'ব। ৪৫৫ কোটি টকা ব্যয় সাপেক্ষ এই প্রকল্পই প্রত্যক্ষভাৱে ১৬৪টা কর্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। আনহাতে পৰোক্ষভাৱে বিভিন্ন ক্ষেত্রত নিয়োগৰ সুবিধা সৃষ্টি কৰিব বুলি মুখ্যমন্ত্রীয়ে প্রকাশ কৰে।

ৰাইট (চি এম)

০০০০০

ভাৰতে ভূপালত অনুষ্ঠিত মহিলাৰ এছিয়ান হকী চেম্পিয়নছ ট্রফী প্রতিযোগিতাত জয়ৰ ধাৰা অব্যাহত ৰাখিছে। ভাৰতে কালি উৎকৃষ্ট প্রদর্শন আগবঢ়াই জাপানক ৪-০ গ'লত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ দীপিকাই দুটা গ'ল দিয়াৰ বিপৰীতে লালৰেমচিয়ামী আৰু নেহাই এটাকৈ গ'ল দিয়ে।

ভাৰতৰ নৱনীত কৌৰক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। দলে ভাল প্রদর্শন আগবঢ়োৱা বুলি উল্লেখ কৰি নৱনীতে এই বঁটা সমগ্র দলৰ হৈ গ্রহণ কৰা বুলি মন্তব্য কৰে।

এই জয়ৰ সুবাদত ভাৰতীয় মহিলা হকী দলটো বিশ্ব ৰেংকিঙৰ চতুর্থ স্থানলৈ উন্নীত হৈছে। উন্নত ৰেংকিঙৰ বিষয়ে সোধা প্রশ্নৰ উত্তৰত নৱনীত কৌৰে এয়া দলৰ বাবে প্রেৰণা বুলি উল্লেখ কৰে।

ইপিনে দিনটোৰ দ্বিতীয়খন খেলত চীনে কোৰিয়াক ১-০ গ'লত পৰাস্ত কৰে। ইয়াৰ পূর্বে আন এখন খেলত মালয়েছিয়াই থাইলেণ্ডক ৪-০ গ'লত পৰাস্ত কৰে। অহা ২৭ নৱেম্বৰত প্রতিযোগিতাৰ ছেমি ফাইনেল খেলসমূহ অনুষ্ঠিত হ'ব। ছেমি ফাইনেলত ভাৰত মালয়েছিয়াৰ মুখামুখি হ'ব। ২৮ নৱেম্বৰৰ বিয়লি চাৰে চাৰি বজাত ব্রঞ্জৰ পদকৰ বাবে খেল অনুষ্ঠিত হ'ব। সিদিনাই সন্ধিয়া ৭ বজাত এই দহ দিনীয়া প্রতিযোগিতাৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০০

ভাৰতৰ আৰু নিউজিলেণ্ডৰ মাজত চলি থকা টেষ্ট ক্রিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল কাইলৈ আৰম্ভ হ'ব। খেলখন নিউজিলেণ্ডৰ খ্রাইষ্টচার্চৰ হেংলে পার্ক ছাউথ খেলপথাৰত অনুষ্ঠিত হ'ব।

ইপিনে শৃংখলাৰ প্রথমখন খেল ড্রৱে সমাপ্ত হোৱাৰ পাছত পুৰুষৰ আই চি চি টেষ্ট খেলুৰৈৰ ৰেংকিঙত সালসলনি ঘটিছে। ঋষভ পণ্টে প্রথমখন খেলত শতৰান অর্জন কৰাৰ সুবাদত খেলুৰৈগৰাকী এটা স্থান আগুৰাই ষষ্ঠ স্থানত উপনীত হৈছে। ভাৰতীয় টেষ্ট দলৰ অধিনায়ক শুভমন গিল তিনিটা স্থান আগুৰাই

সপ্তমত আৰু যশস্বী জয়ছোৱালে পাঁচটা স্থান আগুৱাই ৰেংকিঙৰ নৱম স্থানত উপনীত হৈছে। প্ৰথমখন খেলত ১৩৬ ৰানেৰে সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা কে এল ৰাহুল চাৰিটা স্থান আগুৱাই ২৫ সংখ্যক আৰু দেৱদত্ত পাডিক্কালে ১৫টা স্থান আগুৱাই ৩৯ সংখ্যক স্থান লাভ কৰিছে। ইপিনে বলিঙত ভাৰতৰ জশপ্ৰীত বুমৰাই তিনিটা স্থান আগুৱাই সম্প্ৰতি যুটীয়াভাৱে ৰেংকিঙৰ দ্বিতীয় স্থানত আছে।

ইপিনে নিউজিলেণ্ডৰ বেটছমেন হেনৰি নিকলছে দহটা স্থান আগুৱাই ৩০ সংখ্যক আৰু গ্লেন ফিলিপছে ১৩টা স্থান আগুৱাই ১৭ সংখ্যক স্থানত উপনীত হৈছে। এয়া হ'ল গ্লেন ফিলিপছৰ কেৰিয়াৰত এইপৰ্যন্ত সৰ্বশ্ৰেষ্ঠ ৰেংকিং।

ooooo

সমাপ্ত